**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-05-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। বন বিভাগৰ ভূমি অবৈধ আৱণ্টন সন্দৰ্ভত বিশেষ তদন্তকাৰী গোট গঠন কৰিবলৈ সকলো ৰাজ্যৰ মুখ্য সচিব আৰু কেন্দ্ৰীয়শাসিত অঞ্চললৈ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ।

৩। ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ পদৰ নিযুক্তি প্ৰক্ৰিয়াৰ ব্যৱহাৰিক আৰু মৌখিক পৰীক্ষা অহা ১৫ জুনত আৰম্ভ।

৩। যিকোনো সামৰিক উত্তেজনাৰ সময়ত প্ৰতিপক্ষক আক্ৰমণৰ পৰা বিৰত ৰখা কৌশলেই এখন দেশৰ সামৰিক শক্তিৰ প্ৰকৃত পৰিচায়ক বুলি আকাশবাণী গুৱাহাটীৰ সংবাদ চলন্তিকাত অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ বলেন্দ্ৰ গোস্বামীৰ মন্তব্য।

৪। অপাৰেচন সিন্দূৰৰ সফলতা আৰু দেশৰ বীৰ সৈনিকসকলৰ বীৰগাথা প্ৰচাৰৰ আকাশবাণীৰ শৃংখলাত আজি প্ৰাক্তন সৈনিক জগৎ সিং টিমুঙৰ অভিমত। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱা নিশাৰ খেলত গুজৰাট টাইটানছৰ দেলহী কেপিটেলছৰ বিৰুদ্ধে ১০ উইকেটত জয়লাভ।

০০০০০০

বন বিভাগৰ ভূমি অবৈধভাৱে কোনো ব্যক্তি, প্ৰতিষ্ঠানক আৱণ্টন দিয়া সন্দৰ্ভত তদন্তৰ বাবে উচ্চতম ন্যায়ালয়ে বিশেষ তদন্তকাৰী গোট এছ আই টি গঠন কৰিবলৈ সকলো ৰাজ্যৰ মুখ্য সচিব আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ প্ৰশাসনক নিৰ্দেশ দিছে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বি আৰ গাৱাই, ন্যায়াধীশ আগষ্টাইন জৰ্জ মছি আৰু ন্যায়াধীশ কে বিনোদ চন্দ্ৰনৰ তিনিজনীয়া বিচাৰপীঠে নিৰ্দেশনাত উল্লেখ কৰে যে, অবৈধভাৱে কোনো বনভূমি যদি আৱণ্টন দিয়া হৈছে, তেন্তে ৰাজ্য চৰকাৰসমূহে সেয়া উদ্ধাৰ কৰি বন বিভাগক চমজাই দিব লাগিব। যদি ৰাজহুৱা স্বাৰ্থত সেই বনভূমি উদ্ধাৰ কৰাটো সম্ভৱ নহয়, তেন্তে সংশ্লিষ্ট ব্যক্তি, প্ৰতিষ্ঠানৰ পৰা ভূমিৰ মূল্য আদায় কৰি সেয়া বনাঞ্চলৰ নামত ব্যৱহাৰ কৰিব লাগিব বুলি তিনিজনীয়া বিচাৰপীঠে নিৰ্দেশনাত উল্লেখ কৰে। উচ্চতম ন্যায়ালয়ে অবৈধভাৱে আৱণ্টন দিয়া ভূমি এবছৰৰ ভিতৰত হস্তান্তৰ প্ৰক্ৰিয়া নিশ্চিত কৰাৰ বাবে ৰাজ্যসমূহক বিশেষ দল গঠনৰো নিৰ্দেশ দি কয়, যে উদ্ধাৰ কৰা বনভূমি একমাত্ৰ বনানিকৰণৰ উদ্দেশ্যে ব্যৱহাৰ হ'ব লাগিব।

০০০০০০

অসম চৰকাৰৰ পূৰ্বে অনুষ্ঠিত তৃতীয় আৰু চতুৰ্থবৰ্গৰ পদৰ লিখিত পৰীক্ষাৰ ফলাফলৰ পাছত এই পদসমূহত নিযুক্তিৰ বাবে ব্যৱহাৰিক আৰু মৌখিক পৰীক্ষা অহা ১৫ জুনৰ পৰা আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত

বিশ্ব শৰ্মাই সামাজিক মাধ্যমত কালি এই কথা প্ৰকাশ কৰিছে। পৰীক্ষাৰ এই গোটেই প্ৰক্ৰিয়াটো এমাহৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে তৃতীয়বৰ্গৰ পদৰ অন্তৰ্ভুক্ত চালক, ষ্টেনোগ্ৰাফাৰ আৰু ইলেক্‌ট্ৰিচিয়ানৰ ব্যৱহাৰিক পৰীক্ষাৰ লগতে চতুৰ্থবৰ্গৰ পদৰ বাবে লিখিত পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীৰো মৌখিক আৰু ব্যৱহাৰিক পৰীক্ষা একেদিনাই অনুষ্ঠিত হ'ব। ইয়াৰ বাবে চৰকাৰে প্ৰাৰ্থীসকলক আনুষ্ঠানিকভাৱে সকলো তথ্য অৱগত কৰিব।

০০০০০০

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত সেনা বাহিনীয়ে লাভ কৰা সফলতাৰ পটভূমিত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰৰ শৃংখলাত আজি আমি লগ পাওঁ আহক সেনা বাহিনীৰ প্ৰাক্তন সৈনিক জগত সিং টিমুঙক। তেওঁ ১৯৬৮ চনত সৈনিক হিচাপে ভাৰতীয় সেনা বাহিনীত যোগদান কৰিছিল। মেঘালয়ৰ ছিলঙত কঠোৰ প্ৰশিক্ষণ গ্ৰহণ কৰাৰ অন্তত এক নম্বৰ আছাম ৰেজিমেণ্টৰ চিপাহী ৰূপে তেওঁ জম্মু-কাশ্মীৰৰ উৰি ছেক্টৰত দেশৰ হৈ সেৱা আগবঢ়ায়। ১৯৭১ চনৰ ভাৰত পাকিস্তান যুদ্ধৰ সময়ত টিমুঙে সতীৰ্থৰ সৈতে ভাৰতৰ পৰা পাকিস্তানৰ ৮ কিলোমিটাৰ দূৰত্বলৈ অগ্ৰসৰ হৈছিল আৰু পাকিস্তানৰ বোমা আক্ৰমণত তেওঁ সোঁভৰিৰ পতাখন হেৰুৱাব লগা হৈছিল। তেওঁ কাশ্মীৰত কৰ্মৰত হৈ থাকোতে হোৱা অভিজ্ঞতাৰ বিষয়ে আমাৰ কাৰ্বিআংলঙৰ সংবাদদাতাৰ আগত এনেদৰে বৰ্ণনা কৰে –

**(বাইট)**

০০০০০০

ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী পৰ্যায়ত লোৱা ব্যৱস্থাৱলীয়ে পাকিস্তানৰ যুদ্ধ কৰাৰ ক্ষমতাক কাৰ্যকৰীভাৱে হ্ৰাস কৰিবলৈ সমৰ্থ হৈছিল। কালি সন্ধিয়া আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে প্ৰচাৰ কৰা সংবাদ চলন্তিকাত অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ বলেন্দ্ৰ গোস্বামীয়ে এই মন্তব্য কৰে। ব্ৰিগেডিয়াৰ গোস্বামীয়ে কয়, যে যিকোনো সামৰিক উত্তেজনাৰ সময়ত প্ৰতিপক্ষক আক্ৰমণৰ পৰা বিৰত ৰখা কৌশল অৰ্থাৎ ডিটাৰেন্সেই হৈছে এখন দেশৰ সামৰিক শক্তিৰ প্ৰকৃত পৰিচায়ক।

**(বাইট ঃ বলেন্দ্ৰ গোস্বামী)**

০০০০০০

জম্মু-কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ দেশবিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে অসম আৰক্ষীয়ে অভিযান তীব্ৰতৰ কৰি তুলিছে। এইপৰ্যন্ত অসম আৰক্ষীয়ে দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত বিভিন্ন জিলাৰ পৰা ৬৮ জন লোকক গ্ৰেপ্তাৰ কৰিছে। শেহতীয়াকৈ দেশ বিৰোধী মন্তব্য কৰাৰ অভিযোগত শ্ৰীভূমি আৰক্ষীয়ে জিলাখনৰ পৰা আব্দুল হুছেইন আৰু ৰছিদ আহমেদ নামৰ দুজন লোকক গ্ৰেপ্তাৰ কৰে। একেদৰে বৰপেটা আৰক্ষীয়ে আজাদ হুছেইন ইমৰান নামৰ আন এজন লোকক গ্ৰেপ্তাৰ কৰে। সামাজিক মাধ্যমত পাকিস্তানৰ সমৰ্থনত বক্তব্য আগবঢ়োৱাৰ অভিযোগত কালি গোসাঁইগাঁও মহকুমাৰ কুৰ্ছাকাটি গাঁৱৰ ৰূপচান আলী নামৰ এজন লোকক আটক কৰে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি অসম আৰক্ষীয়ে এই অভিযান পৰৱৰ্তী সময়তো অব্যাহত ৰাখিব বুলি উল্লেখ কৰিছে। তেওঁ লগতে জনসাধাৰণক এনে দেশ বিৰোধী

মন্তব্য দৃষ্টি গোচৰ হোৱাৰ মাত্ৰেই প্ৰশাসনক অৱগত কৰিবলৈ আহ্বান জনায়। দেশ বিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে কোনো ধৰণৰ সহানুভূতি প্ৰদৰ্শন কৰা নহ'ব বুলিও মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে।

০০০০০০

বাংলাদেশৰ পৰা ভাৰতৰ মাজেৰে পন্য ৰপ্তানিৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে নিষেধাজ্ঞা আৰোপ কৰিছে। বৈদেশিক বাণিজ্য সঞ্চালকালয়ে এই সন্দৰ্ভত কালি এখন অধিসূচনা জাৰি কৰে। এই অনুসৰি এতিয়াৰে পৰা বাংলাদেশৰ বস্ত্ৰ, খাদ্য বস্তু, পানীয় আৰু প্লাষ্টিকৰ সামগ্ৰী উত্তৰ-পূৰ্বাঞ্চলৰ স্থলপথেৰে ভাৰতলৈ ৰপ্তানিত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। দেশখনে এই সামগ্ৰীসমূহ এতিয়াৰে পৰা কেৱল মুম্বাইৰ জৱাহৰলাল নেহৰু বন্দৰ আৰু কলকাতাৰ সামুদ্ৰিক বন্দৰৰ মাজেৰেহে ভাৰতলৈ ৰপ্তানি কৰিব পাৰিব। বৈদেশিক বাণিজ্য সঞ্চালকালয়ৰ তৰফৰ পৰা জনোৱা অনুসৰি দেশ দুখনৰ মাজত বাণিজ্যৰ সমতা স্থাপনৰ বাবে এই সিদ্ধান্ত লোৱা হৈছে। উল্লেখযোগ্য যে ইয়াৰ আগতে যোৱা মাহত বাংলাদেশৰ সামগ্ৰী ভাৰতৰ মাজেৰে আন দেশলৈ প্ৰেৰণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে নিষেধাজ্ঞা জাৰি কৰিছিল।

০০০০০০

মাধ্যমিক বিদ্যালয়ৰ শিক্ষকসকলক ডেপুটেচনৰ ভিত্তিত বিএড  পাঠ্যক্ৰমৰ বাবে প্ৰেৰণ কৰাৰ ক্ষেত্ৰত জ্যেষ্ঠতাৰ বিষয়টোৰে অগ্ৰাধিকাৰ পাব লাগে বুলি মাধ্যমিক শিক্ষা সঞ্চালকালয়ে নিৰ্দেশনা জাৰি কৰিছে। জাননীত উল্লেখ কৰা অনুসৰি অৱসৰলৈ কমেও ৫ বছৰ থকা আৰু চাকৰিকালৰ ৫ বছৰ সম্পূৰ্ণ কৰা শিক্ষকসকলক সামৰি বিদ্যালয়সমূহৰ প্ৰধান শিক্ষকক জ্যেষ্ঠতাৰ তালিকা প্ৰেৰণ কৰাৰ বাবে নিৰ্দেশ জাৰি কৰা হৈছে। জাননীখনত লগতে শিক্ষকসকলে বিচাৰিলে মুক্ত দূৰশিক্ষা পদ্ধতিৰ জৰিয়তেও বি এড ডিগ্ৰী ল'ব পাৰিব বুলি উল্লেখ আছে। অৱশ্যে তেনে শিক্ষানুষ্ঠানৰ অধ্যয়ন কেন্দ্ৰ অসমত থাকিব লাগিব।

০০০০০০

ৰাজ্য চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই যোৰহাটৰ তিতাবৰত নিৰ্মাণ হৈ থকা অসম ৰেচম মহাবিদ্যালয়খন অহা বৰ্ষৰ জানুৱাৰীত উদ্বোধন কৰা হ'ব বুলি ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে কালি নিৰ্মাণৰত মহাবিদ্যালয়খন পৰিদৰ্শন কৰি বিভাগীয় বিষয়াসকলক শীঘ্ৰে কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ২০২৬-ৰ বিধানসভা নিৰ্বাচনৰ অধিসূচনা জাৰি হোৱাৰ পূৰ্বেই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মহাবিদ্যালয়খন উদ্বোধন কৰিব।

০০০০০০

মহাপুৰুষ শ্ৰীশ্ৰীঅনিৰুদ্ধ দেৱৰ ৪৭৩ সংখ্যক আৱিৰ্ভাৱ তিথি আৰু শ্ৰীশ্ৰীঅনিৰুদ্ধ দেৱ সেৱা সমিতি অসমৰ পঞ্চম দ্বিবাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয়। ডিব্ৰুগড়ৰ বৈৰাগী মঠত থকা শ্ৰীশ্ৰীঅনিৰুদ্ধ দেৱ কনিষ্ঠ মহাবিদ্যালয়ত এই অধিৱেশন অনুষ্ঠিত হয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, গোপালদেৱৰ পৰৱৰ্তী ধৰ্ম সংস্কাৰক, সাহিত্যিক, গীতিকাৰ তথা ময়ামৰা ধৰ্মৰ প্ৰৱৰ্তন শ্ৰীশ্ৰীঅনিৰুদ্ধ দেৱে প্ৰায় ৫০০ বছৰ পূৰ্বে মানৱীয় আদৰ্শ, অদ্বৈতবাদ, সাম্যবাদ স্থাপনৰ বাবে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছিল।

০০০০০০

ভাৰতীয় জনতা পাৰ্টি নাহৰকটীয়া মণ্ডলৰ অন্তৰ্গত আমগুৰি, বৰবাম, ধাদুমীয়া, বালিমৰা আৰু নিগাম পঞ্চায়তৰ নিৰ্বাচনত বিজয়ী জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু ৱাৰ্ড সদস্যসকলক কালি সম্বৰ্ধনা জনোৱাৰ

লগতে মত বিনিময় কাৰ্যসূচী অনুষ্ঠিত হয়। বিধায়ক তৰংগ গগৈয়ে অংশগ্ৰহণ কৰা এই অনুষ্ঠানত পঞ্চায়ত প্ৰতিনিধিসকলে অনাগত দিনসমূহত ৰাইজৰ সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত কৰিবলগীয়া কামসমূহৰ বিষয়ে আলোচনা কৰা হয়। সেৱাৰ মনোভাৱেৰে নিজক সমৰ্পণ কৰি কাম কৰাৰ বাবে বিধায়গৰাকীয়ে সকলোৰে প্ৰতি আহ্বান জনায়।

০০০০০০

অসম প্ৰদেশ বিজেপিৰ সভাপতি তথা দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াক ২০২৫ চনৰ **সংসদ ৰত্ন** বঁটা বাবে মনোনীত কৰা হৈছে। ৰাষ্ট্ৰীয় অন্যান্য পিছপৰা আয়োগৰ অধ্যক্ষ হংসৰাজ গংগাৰাম অহিৰৰ নেতৃত্বাধীন জুৰিৰ বোৰ্ডে সাংসদ শইকীয়াক এই বঁটাৰ বাবে মনোনীত কৰিছে। প্ৰাইম পইণ্ট ফাইণ্ডেচনে ২০১০ চনৰ পৰা সংসদ ৰত্ন বঁটা প্ৰদান কৰি আহিছে। এই বঁটা লাভ কৰা শইকীয়া হ'ল উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী সাংসদ। চলিত বৰ্ষত লোকসভা আৰু ৰাজ্যসভাৰ মুঠ ১৭ গৰাকী সাংসদে এই বঁটাৰ বাবে মনোনয়ন লাভ কৰিছে। ১৭ গৰাকী সাংসদৰ লগতে সংসদৰ দুখন স্থায়ী সমিতি ষ্টেডিং কমিটি অন ফাইনেন্স আৰু ষ্টেডিং কমিটি অন এগ্ৰিকালচাৰো আছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱা নিশা অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত গুজৰাট টাইটানছে দেলহী কেপিটেলছক ১০ উইকেটত পৰাস্ত কৰে। জয়ৰ বাবে ২০০ ৰানৰ লক্ষ্য অনুসৰণ কৰি গুজৰাটৰ অপেনিং যুটী ছাই সুদৰ্শন আৰু অধিনায়ক শুভমন গিলে দেলহী কেপিটেলছৰ বলিং আক্ৰমণ ধৰাশায়ী কৰি অপৰাজিত হৈ ৰয়। সুদৰ্শনৰ শতক আৰু শুভমন গিলৰ ৫৩টা বলত কৰা ৯৩ ৰানে গুজৰাটক খেলখন শেষ হ'বলৈ এটা অভাৰ বাকী থকা অৱস্থাতেই জয়ৰ সোৱাদ দিয়ে। এই জয়ৰ লগে লগে গুজৰাট টাইটানছ পইণ্ট তালিকাৰ শীৰ্ষস্থানত উপনীত হোৱাৰ লগতে প্লে অফৰ বাবে যোগ্যতা অৰ্জন কৰে। ইতিমধ্যে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু আৰু পাঞ্জাব কিংছে প্লে অফত স্থান কৰিছে।

ইপিনে, ৰাজস্থানৰ ছাৱাই মানসিং ষ্টেডিয়ামত কালি অনুষ্ঠিত  আন এখন খেলত পাঞ্জাব কিংছে ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে ১০ ৰাণত জয়লাভ কৰে। খেলখনত পাঞ্জাব কিংছে টছত জিকি প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেটৰ বিনিময়ত ২১৯ ৰান সংগ্ৰহ কৰে।

প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। লক্ষ্ণৌৰ ভাৰতৰত্ন শ্ৰীঅটল বিহাৰী বাজপেয়ী একানা ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত খেলখন আৰম্ভ হ'ব।

০০০০০০

বৃহৎ বিনিয়োগকাৰীসকলৰ সৈতে কালি সম্পন্ন হোৱা ৰাজ্য চৰকাৰৰ ২২ হাজাৰ ৯০০ কোটি টকাৰ ২০টা প্ৰকলৰ চুক্তি সম্পাদিত হোৱাৰ বাতৰিটোক গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত আলোকচিত্ৰ সহ প্ৰকাশ কৰিছে। মুম্বাইত সম্বৰ্ধনা অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্য ন্যায়াধীশ বি আৰ গভাইয়ে গনতন্ত্ৰণৰ তিনিওটা স্তম্ভই সমান বুলি মন্তব্য কৰিছে। এই বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।অবৈধভাৱে আবণ্টন দিয়া বনাঞ্চলৰ ভূমি উচ্চতম ন্যায়ালয়ে ঘূৰাই অনাৰ নিৰ্দেশ দিছে। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দেশৰ চৰকাৰী

প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয় সমূহত নাম ভৰ্তি বৃহৎ হাৰত হ্ৰাস পাইছে বুলি কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ৰ বৈঠকত প্ৰকাশত পাইছে। এই বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ইচৰোৰ ১০১ সংখ্যক উৎক্ষেপণ অভিযান কালি ব্যৰ্থ হয়। The Assam কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

পাকিস্তানত অজ্ঞাত বন্দুকধাৰীৰ গুলীত লস্কৰ ই তৈবাৰ কমাণ্ডাৰ এজন কামাণ্ডাৰ নিহত হয়। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। কামৰূপ মহানগৰ জিলাত ৪ হাজাৰ ২৪০ হেক্টৰ বন ভূমিত হোৱা বেদখল মুকলি কৰিবলৈ অসম চৰকাৰক ৰাষ্ট্ৰীয় সেউজ ন্যায়াধী কৰণে নিৰ্দেশ দিছে। এই বাতৰিটো The Sentinel কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অনলাইন ট্ৰেডিংত ধন বিনিয়োগকাৰীক চিবি আই য়ে সোধা পোচা অব্যাহত ৰাখিছে। এই বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আসন্ন বিতিচিৰ পৰিষদীয় নিৰ্বাচনত অসম গণ পৰিষদ দলে প্ৰতিদ্বন্দ্বিতা কৰিব। অপাৰেচন Sindoor অভিযান সন্দৰ্ভত সেনাৰ western Command এ এটা ভিডিও মুকলি কৰিছে। এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

000000

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে মজলীয়া বৰষুণ  হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

000000

সমাপ্ত